251
2014

Total No. of Printed Pages—3

**PAR/CCM–39/13**

# ASSAMESE

## FIRST PAPER

*Full Marks* : 200

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ক—শাখা

( কবিতা )

১। (ক) মাধৱ কন্দলীক কোনে আৰু কিয় 'অপ্ৰমাদী কবি' বুলি স্বীকৃতি দিছিল ? 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিত কবিজনাই অসমৰ প্ৰকৃতি-জগতখনৰ চিত্ৰ কেনেদৰে চিত্ৰিত কৰিছে, উদাহৰণসহ বিৱৰি লিখা। ৩০

*নাইবা*

(খ) শঙ্কৰদেৱৰ সাহিত্যকৃতিৰ চমু পৰিচয় দাঙি ধৰি 'নন্দোৎসৱ' কবিতাটোত প্ৰতিফলিত হোৱা অসমৰ সামাজিক চিত্ৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

২। (ক) অসমীয়া পাঁচালী সাহিত্যত দুৰ্গাবৰৰ স্থান নিৰূপণ কৰি 'মায়া অযোধ্যাৰ সৃষ্টি' কবিতাংশৰ মূল কথাখিনি নিজৰ ভাষাত বৰ্ণনা কৰা। ৩০

*নাইবা*

(খ) সুকবি নাৰায়ণদেৱৰ 'বেহুলাৰ নৃত্য'ৰ মূল কথাখিনি বিৱৰি লিখি কবিতাটোত অসমীয়া সমাজৰ কি কি চিত্ৰ প্ৰকাশ পাইছে, ফঁহিয়াই আলোচনা কৰা।

৩। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ২০×২=৪০

(ক) 'তেজৰে কমলাপতি' বৰগীতটোৰ মূল কথাখিনি লিখি তাৎপৰ্য বিচাৰ কৰা।

(খ) কমলাকান্ত ভট্টাচাৰ্যৰ 'পূৰ্ণিমাৰ ৰাতিলৈ চাই' কবিতাটোৰ মূলভাব লিখি কবিতাটোৰ কাব্যিক-সৌন্দৰ্য বিচাৰ কৰা।

(গ) সাম্প্ৰতিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ 'মমতাৰ চিঠি' কবিতাত কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'গঢ়া কৰি মোক ঝাড়ুদাৰ' নামৰ কবিতাটোত কবিয়ে সমাজ-সচেতনতা কেনেদৰে ফুটাই তুলিবলৈ সক্ষম হৈছে, লিখা।

(ঙ) 'পলস' কবিতাত ব্যৱহৃত প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে লিখা।

## খ—শাখা

### ( নাটক )

৪। (ক) ঐতিহাসিক নাটক বুলিলে কি বুজা? অসমীয়া ঐতিহাসিক নাটক আৰু নাট্যকাৰ সম্পৰ্কে এটি সমীক্ষা যুগুত কৰা। ৩০

নাইবা

(খ) প্ৰহসন কাক বোলে? 'লিটিকাই' নাটকখন প্ৰহসন হয় নে নহয়, যুক্তিৰে বিচাৰ কৰা।

৫। (ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটকত নতুন প্ৰজন্মক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰাৰ প্ৰেৰণা কেনেদৰে ফুটি উঠিছে, লিখা। লগতে সমসাময়িক অসমৰ সমাজৰ চিত্ৰৰ প্ৰতিফলন সম্পৰ্কেও বিৱৰি লিখা। ৩০

*নাইবা*

(খ) পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' নাটকৰ কাহিনী বৰ্ণনা কৰি নাট্যকাৰজনৰ নাট্য-প্ৰতিভাৰ পৰিচয় দাঙি ধৰা।

৬। (ক) পৌৰাণিক নাটকৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে বিৱৰি লিখা। ২০

*নাইবা*

(খ) অৰুণ শৰ্মাৰ 'আহাৰ' এখন এব্‌ছাৰ্ডধৰ্মী নাটক। কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি এটি আলোচনা যুগুত কৰা।

৭। তলৰ যি কোনো দুটাৰ চমু টোকা লিখা : ১০×২=২০

(ক) নাটকত বহুৰা আৰু লঘু চৰিত্ৰ

(খ) নাটকীয় উৎকণ্ঠা

(গ) মেলোড্ৰামা

(ঘ) কমেডি

(ঙ) সামাজিক নাটক

★★★